অসম

# বিদ্যুতৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি আছুৰ প্ৰতিবাদ, শিৱসাগৰত আৰক্ষী-আছু কর্মীৰ মাজত হতাহতি

বিদ্যুতৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে আছুৱে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে।

প্ৰকাশ: ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪১




গুৱাহাটী: বিদ্যুতৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰিছে সদৌ অসম ছাত্ৰ সন্থাই (আছু)। সংগঠনটোৰ আহ্বানমর্মে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে মৰিগাঁও আৰু শিৱসাগৰতো উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে আছুৰ কর্মীসকলে।

শিৱসাগৰ নগৰৰ ফুকন নগৰস্থিত বিদ্যুৎ বিভাগৰ কার্যালয় ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে আছুৰ কর্মীসকলে। প্ৰতিবাদকাৰীসকলে বিদ্যুৎ বিভাগৰ প্ৰতিকৃতি দাহ কৰি মাচুল বৃদ্ধিৰ সিদ্ধান্তৰ বিৰুদ্ধে শ্লোগান দিয়ে। প্ৰতিবাদৰ সময়তে আছু কর্মী আৰু আৰক্ষীৰ মাজত হতাহতিৰ সৃষ্টি হয়।

ইফালে, মৰিগাঁৱতো আছুৰ মৰিগাঁও সদৰ গোটৰ উদ্যোগত প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে বিদ্যুৎ বিভাগৰ প্ৰতিকৃতি দাহ কৰি অসম চৰকাৰ আৰু শক্তি বিভাগৰ বিৰুদ্ধে শ্লোগান দিয়ে।

বিদ্যুতৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত শীঘ্ৰে প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে প্ৰতিবাদকাৰীসকলে। ৰাজ্যজুৰি ৰূপায়ণ কৰা এই প্ৰতিবাদী কার্যসূচীৰ জৰিয়তে আছুৱে বর্ধিত বিদ্যুৎ মাচুলক লৈ চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে।

© 2026 NewzNow

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/1047/aasu-protests-electricity-tariff-hike-morigaon